# মুখ্য-কাৰ্য্যালয়

# ৰাভা হাছুং সুৰক্ষা পৰিষদ ঃ দূধনৈ

## ৩০ নবেম্বৰ '৯৮ গণ - সমাবেশ

## দলে দলে যোগদান কৰক ।

---

## - ॥ গোহাৰি ॥

শ্ৰদ্ধেয় ৰাইজ,

ৰাভা হাছুং সুৰক্ষা পৰিষদে জন্ম-লগ্নৰে পৰা ৬ দফীয়া দাবী চনদ সন্মুখত ৰাখি আন্দোলন চলাই আহিছে। সমান্তৰাল ভাৱে অসম চৰকাৰৰ ওচৰত বহুবাৰ আবেদন-নিবেদন কৰা হৈছে, আলোচনাও কেবাবাৰো অনুষ্ঠিত কৰা হৈছে। এই ছয়দফীয়া দাবী পূৰণৰ বাবে অসম গণ পৰিষদ দলৰ লগত যোৱা ১ মাৰ্চ ১৯৯৬ তাৰিখতে ৰাভা হাছুং সুৰক্ষা পৰিষদৰ এখন চুক্তিও হৈছিল।

অসম গণ পৰিষদ দলে অসমত চৰকাৰ গঠন কৰাৰ পাছত এই সমস্যা সমাধানৰ বাবে এখন উচ্চ পৰ্য্যায়ৰ সমিতি গঠন কৰি দিয়ে আৰু এই সমিতিৰ লগতো ৰাভা হাছুং সুৰক্ষা পৰিষদৰ কেবা-লানি আলোচনা অনুষ্ঠিত হৈছে। যোৱা ১৮ মাৰ্চ /৯৭ আৰু ২৮ অক্টোবৰ /৯৭ তাৰিখৰ আলোচনাত ৰাভা হাছুং স্বায়ত্ব শাসিত পৰিষদলৈ ৩০৭ খন গাওঁ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু পৰৱৰ্ত্তী সময়ত বাকী থকা ৫২৩ খন গাওঁ প্ৰয়োজন সাপেক্ষে ৰাভা হাছুং স্বায়ত্ব শাসিত পৰিষদ আইন ১৯৯৫ চন সংশোধন কৰি প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু ৰাভা হাছুং স্বায়ত্ব শাসিত পৰিষদৰ বাবে অতি দুৰ্ভাগ্য আৰু পৰিতাপৰ কথা যে, যোৱা ৩ এপ্ৰিল /৯৮ তাৰিখতে ৩০৬ খন ৰাজহ গাওঁ দি অধিসূচনা জাৰি কৰাৰ পাছত আৰু আজিলৈকে কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে।

আনহাতে ৰাভা হাছুং স্বায়ত্ব শাসিত পৰিষদ আইন মতে ৰাভা হাছুং স্বায়ত্ব শাসিত পৰিষদক ৩৪ টা বিভাগ দিয়া আছে যদিও তাৰে কোনো এটা বিভাগকে আজিলৈকে হস্তান্তৰ কৰা নহ'ল। যাৰ ফলত স্বায়ত্ব শাসনৰ ধাৰণাটোৱেই আজি প্ৰহসনত পৰিণত হৈছে। ৰাভা হাছুং স্বায়ত্ব শাসিত পৰিষদৰ কোনো বিত্তীয় ক্ষমতা নথকাত পৰিষদখনে জন-সাধাৰণৰ কোনো আশা-আকাংখ্যাকে পূৰণ কৰিব পৰা নাই। অহা ডিচেম্বৰ মাহৰ ভিতৰতে অসমত পঞ্চায়ত সমূহৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ কথা বাতৰি কাকতত প্ৰকাশ হৈছে। কিন্তু ৰাভা চুক্তিত ৰাভা হাছুং এলেকাত পঞ্চায়তী ৰাজ ব্যৱস্থা বলবৎ নহব বুলি উল্লেখ কৰা হৈছে। যদি ৰাভা হাছুং এলেকাত পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত কৰে তেনেহলে অসম চৰকাৰেই ৰাভা চুক্তি ভঙ্গ কৰা হ'ব। আমি ৰাভা হাছুং সুৰক্ষা পৰিষদে যি কোনো মূল্যৰ বিনিময়তে সেইটো হবলৈ নিদিওঁ। ৰাভা হাছুং স্বায়ত্ব শাসিত পৰিষদৰ চাৰিসীমা নিৰ্ধাৰণৰ লগতে ৰাভা হাছুং গাওঁ পৰিষদ সমূহ গঠন কৰি সেই বিলাকৰ নিৰ্বাচন অনুষ্ঠিত কৰাহে উচিত। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে, অসমৰ তথা কথিত জনপ্ৰিয় চৰকাৰখনে এই সম্পৰ্কত কোনো ব্যৱস্থাকে গ্ৰহণ নকৰিলে।

শ্ৰদ্ধেয় ৰাইজ ! জনসাধাৰণৰ ন্যায্য প্ৰাপ্য আদায়ৰ বাবে আজি আন্দোলন অবিহনে বিকল্প পথ নাই। আনহাতে শান্তিপূৰ্ণ গণ-আন্দোলনৰ সন্মুখীন হবলৈকো এইখন চৰকাৰৰ সৎ-সাহস নাই। যোৱা ১১ নবেম্বৰ /৯৮ তাৰিখত অৱস্থান ধৰ্মঘটৰ বাবে কামৰূপ আৰু গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শান্তিপূৰ্ণ আন্দোলনকাৰী সকলক অসমৰ এইখন তথা-কথিত জনপ্ৰিয় আৰু গণ-তান্ত্ৰিক চৰকাৰে বিভিন্ন স্থানত পুলিচ বাহিনীৰ দ্বাৰা বাধা-প্ৰদান কৰিছে। আন্দোলনকাৰী সকলক ভুলপথে পৰিচালিত কৰিবলৈ যোৱা ১৩ নবেম্বৰ তাৰিখে কেৱল আলোচনাৰ বাবেই আলোচনা অনুষ্ঠিত কৰিলে য'ত অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সুস্পষ্ট সমাধান সূত্ৰ দিবলৈ ব্যৰ্থ হ'ল।

হে সুধী ৰাইজ ! আমাৰ ন্যায্য প্ৰাপ্য আদায়ৰ বাবে আমি আমাৰ আন্দোলন আৰু তীব্ৰতৰ কৰি তুলিব লাগিব। শক্তিশালী আৰু ঐক্যবদ্ধ গণ আন্দোলনৰ দ্বাৰাহে এইখন চৰকাৰক বাধ্য কৰি তুলিব লাগিব। আমাৰ পৰৱৰ্ত্তী কাৰ্য্যসূচী সমূহত বিশেষকৈ অহা ৩০ নবেম্বৰ তাৰিখে দূধনৈ চহৰত আয়োজন কৰা "গণ-সমাবেশ"ত জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকক দলে দলে যোগদান কৰি সফল কৰি তুলিবলৈ আমি ৰাভা হাছুং সুৰক্ষা পৰিষদৰ তৰফৰ পৰা বিনম্ৰ অনুৰোধ জনালোঁ।

নেমৰাছুং

**ৰাভা হাছুং সুৰক্ষা পৰিষদ ঃ দূধনৈ।**

---

ৰাভা হাছুং সুৰক্ষা পৰিষদৰ সাধাৰণ সম্পাদক **ডাঃ শৰৎ চন্দ্ৰ ৰাভাৰ** দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।